**2 0 1 7**

# ASSAMESE

( Elective )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) চৰ্যাপদসমূহ কোনখন মূল গ্ৰন্থৰ পৰা সংগৃহীত ?

(খ) শ্ৰীধৰ কন্দলি কোন সময়ৰ কবি ?

(গ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোৰ আধাৰ-গ্ৰন্থ কি ?

(ঘ) অসমীয়া কাব্যজগতত 'বধকাব্যৰ কবি' ৰূপে কোনগৰাকী কবি পৰিচিত ?

(ঙ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' শীৰ্ষক কবিতাটোৰ কবি কোন ?

(চ) ৰঘুনাথ চৌধাৰী ৰচিত এখন কাব্যপুথিৰ নাম লিখা।

(ছ) অসমীয়া 'কথা-কবিতা'ৰ জনক কোন?

(জ) 'সপোনৰ সুৰ' আৰু 'সন্ধিয়াৰ সুৰ' কাব্যগ্ৰন্থ দুখনৰ ৰচক কোন?

(ঝ) 'আমি দুৱাৰ মুকলি কৰোঁ' শীৰ্ষক ছবিখনৰ চিত্ৰকৰজনৰ নাম কি?

(ঞ) ড. নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰিছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(খ) শংকৰদেৱৰ 'নন্দোৎসৱ' কবিতাটোৰ আধাৰ-গ্ৰন্থ কি? কবিতাটোত কোনে শ্ৰীকৃষ্ণৰ জন্মকেন্দ্ৰিক উৎসৱৰ বৰ্ণনা দাঙি ধৰিছে?

(গ) চিত্ৰলেখাই কাৰ আগত আৰু কিমান দিনৰ ভিতৰত পট নিৰ্মাণ কৰি দেখুওৱাৰ প্ৰতিশ্ৰুতি দিছে?

(ঘ) 'পৰম তৃষ্ণা' কবিতাটোত কবিয়ে কিহৰ তৃষ্ণাৰ ইংগিত দিছে?

(ঙ) 'পলস' কবিতাটোত কি কি বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ সপোন সৰি যোৱা বুলি কবিয়ে উল্লেখ কৰিছে?

৩ । যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) ‘‘কাআ তৰুবৰ পঞ্চবি ডাল।
চঞ্চল চীএ পইঠো কাল॥’’

উদ্ধৃত কবিতাংশ ক’ৰ পৰা লোৱা হৈছে? গছ আৰু ডালৰ সৈতে কিহৰ তুলনা দাঙি ধৰা হৈছে, বুজাই লিখা।

(খ) ‘নন্দোৎসৱ’ কবিতাটোত উল্লেখ থকা মতে পুত্ৰ উপজাৰ পাছত নন্দই কি কি কাৰ্য সম্পাদন কৰিছে, বৰ্ণনা কৰা।

(গ) ‘ৰংপুৰ নগৰৰ বৰ্ণনা’ কবিতাটোত ৰংপুৰ নামটো হোৱাৰ কাৰণ কবিয়ে কি বুলি উল্লেখ কৰিছে, ব্যাখ্যা কৰা।

(ঘ) ‘সোণোৱালী দেশ’ কবিতাটোৰ মূল ভাব নিজৰ ভাষাত লিখা।

(ঙ) দেৱকান্ত বৰুৱাৰ ‘আমি দুৱাৰ মুকলি কৰোঁ’ কবিতাটোত ‘দুৱাৰ’ক কিহৰ প্ৰতীক হিচাপে কবিয়ে উপস্থাপন কৰিব বিচাৰিছে, তোমাৰ যুক্তি আগবঢ়োৱা।

৪ । তলৰ চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ১০×৪=৪০

(ক) লুইপাদৰ চমু পৰিচয় দাঙি ধৰি ১নং চৰ্যাপদটোৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰা।

*অথবা*

শ্ৰীধৰ কন্দলিৰ ‘কাণখোৱা’ কবিতাটোত শ্ৰীকৃষ্ণই মাতৃ যশোদাৰ আগত কাণখোৱাৰ প্ৰতি কেনেদৰে ভয় ব্যক্ত কৰিছে, বহলাই লিখা।

(খ) সখীয়েক উষাই সপোনত দেখা স্বামীক চিনাক্ত কৰিবলৈ চিত্ৰলেখাই কাৰ কাৰ ছবি অঙ্কন কৰিছে, বৰ্ণনা কৰা।

*অথবা*

ধৃতৰাষ্ট্ৰ আৰু বিদুৰ কোন? পাণ্ডৱৰ বনবাসত আনন্দ প্ৰকাশ কৰা ধৃতৰাষ্ট্ৰক বিদুৰে কি পৰামৰ্শ আগবঢ়াইছে, বুজাই লিখা।

(গ) ৰোমাণ্টিক কবিতাৰ কি কি বৈশিষ্ট্য 'কেতেকী' কবিতাটোত প্ৰকাশ পাইছে, আলোচনা কৰা।

*অথবা*

'পৰম তৃষ্ণা' কবিতাটোত কবি নলিনীবালা দেৱীয়ে পৃথিৱীখনক কেতিয়াৰ চিনাকি বুলি উল্লেখ কৰিছে? তেওঁ এই পৃথিৱীলৈ বাৰে বাৰে কিয় উভতি আহিছে, বহলাই আলোচনা কৰা।

(ঘ) 'পলস' কবিতাটোত কবি নৱকান্ত বৰুৱাই অতীত আৰু বৰ্তমান যুগৰ সমন্বয়-সাধনৰ ছবি কেনেদৰে অংকন কৰিছে, বৰ্ণনা কৰা।

*অথবা*

সাম্প্ৰতিক কবিতা বুলিলে কি বুজা? নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটোত সাম্প্ৰতিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★